জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯২/২০২১

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত পাঞ্জাৱ নেশ্যনেল বেংক আৰু অসম বায়' শোধনাগাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত

## পৰিৱেশসন্মত ইন্ধন উৎপাদনৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত পাঞ্জাৱ নেশ্যনেল বেংক আৰু বায়' ইথানল প্ৰস্তুতৰ বাবে অসম বায়' শোধনাগাৰৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

উল্লেখ্য যে এই বুজাবুজিৰ চুক্তিৰ অংশ হিচাপে পাঞ্জাৱ নেশ্যনেল বেংকে বাঁহ উৎপাদন কৰা কৃষকসকললৈ ঋণ আগবঢ়াব। আনহাতে বায়' ইথানল প্ৰস্তুতৰ বাবে অসম বায়' শোধনাগাৰে খেতিয়কৰ পৰা বাঁহ ক্ৰয় কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত এই বুজাবুজিৰ চুক্তিখনে এটা শুভ আৰম্ভণি কৰিলে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই চুক্তিখনে বাঁহ খেতিয়কসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সৰলীকৰণৰ দিশত ইতিবাচক প্ৰভাৱ পেলাব। তেওঁ লগতে কয় যে এই পদক্ষেপে পৰিৱেশসন্মত ইন্ধন (গ্ৰীণ এনাৰ্জী) উৎপাদনতো সহায়ক হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে পৰিৱেশসন্মত ইন্ধন ব্যৱহাৰ কৰাৰ দিশত আন্তৰিকতাৰে কাম কৰি আহিছে, যাতে পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব পৰা যায়। ৰাজ্য চৰকাৰৰ ইথানল উৎপাদন উৎকৰ্ষতাৰ নীতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে বায়' ইথানল উৎপাদন কি দৰে বৃদ্ধি কৰিব পৰা যায় সেই দিশত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰি আহিছে।

বায়' ইথানল উৎপাদনৰ বাবে বাঁহ খেতিয়কসকলক ঋণ প্ৰদান কৰা পদক্ষেপৰ বাবে পাঞ্জাৱ নেশ্যনেল বেংকক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাঁহ উৎপাদনৰ সৈতে জড়িত কৃষক আৰু উদ্যমীসকলৰ সৰলীকৰণৰ দিশত এয়া এক অতি উল্লেখনীয় পদক্ষেপ। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ক্ষিপ্ৰ উন্নয়নৰ বাবে পাঞ্জাৱ নেশ্যনেল বেংকক সহযোগিতা আগবঢ়াবৰ বাবেও অনুৰোধ জনাই কয় যে বেংকটোৰ বিভিন্ন উদ্যোগৰ প্ৰতিও ৰাজ্য চৰকাৰে সদায়ে সহযোগিতা আগবঢ়াই যাব।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে বেংকৰ বৃহৎ ঋণ শিবিৰৰ অংশ হিচাপে কিছু সংখ্যক কৃষকক অনুমোদন পত্ৰ প্ৰদান কৰে।

অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, পাঞ্জাৱ নেশ্যনেল বেংকৰ পৰিচালন সঞ্চালক তথা চি ই অ' মল্লিকাৰ্জুন ৰাও, অসম বায়' শোধনাগাৰৰ পৰিচালন সঞ্চালক এছ কে বৰুৱা, পাঞ্জাৱ নেশ্যনেল বেংকৰ উত্তৰ পূৰ্বাঞ্চলৰ জ'নেল মেনেজাৰ এছ এছ সিঙেও অনুষ্ঠানত ভাষণ প্ৰদান কৰে।

**সুঃদঃ / পুঃডেঃ**

২৫-০৯-২০২১